# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 02-05-2024
**Time :** 1845 Hrs

## *Assamese Evening Bulletin*
### *HEADLINES*

**- - - - - - -**

১। ৰাজ্যত তৃতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে প্ৰচাৰ অভিযান তুংগত। বৰপেটা লোকসভা সমষ্টিৰ দলীয় প্ৰাৰ্থীৰ সমৰ্থনত প্ৰচাৰ চলোৱাৰ উদ্দেশ্যেৰে চি পি আই এমৰ জ্যেষ্ঠ নেতা মাণিক সৰকাৰ বঙাইগাঁৱত উপস্থিত।

২। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, কংগ্ৰেছ দলৰ নেত্ৰী অলকা লাম্বা আৰু এ আই ইউ ডি এফৰ মুৰব্বী বদৰুদ্দিন আজমলৰ প্ৰচাৰ কাৰ্যসূচীত অংশগ্ৰহণ।

৩। ভোটদাতাসকলক নিৰ্বাচনৰ পৰৱৰ্ত্তী সময়ৰ বাবে হিতাধিকাৰী-কেন্দ্ৰিক আঁচনিত পঞ্জীভুক্ত নকৰিবলৈ সকলো ৰাজনৈতিক দললৈ নিৰ্বাচন আয়োগৰ নিৰ্দেশ।

৪। প্ৰতিকুল বতৰৰ প্ৰতি লক্ষ্য ৰাখি ডিমা হাচাও জিলাত আজিৰ পৰা পৰহিলৈ সকলো শিক্ষানুষ্ঠান বন্ধ ঘোষণা।

**আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজিৰ খেলত ৰাজস্থান ৰয়েলছ ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ।

০০০০০

ৰাজ্যৰ ৪টা সমষ্টিত হ'বলগীয়া লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ তুংগত আছে। বিজেপিৰ লগতে অন্যান্য ৰাজনৈতিক দলসমূহে দলীয় প্ৰাৰ্থীৰ বাবে জনসভা, ৰেলীৰ আয়োজন কৰি প্ৰচাৰ অব্যাহত ৰাখিছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি ধুবুৰী লোকসভা সমষ্টিৰ এন ডি এৰ প্ৰাৰ্থী জাৱেদ ইছলামৰ হৈ ধুবুৰীত প্ৰচাৰ চলায়। ধুবুৰী সমষ্টিৰ নিৰ্বাচনী প্ৰচাৰ সন্দৰ্ভত আমাৰ সংবাদদাতা প্ৰদীপ সাহাই এইদৰে কয়-

**ভইচ**

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে গোৱালপাৰা জিলাৰ লালাবৰি আৰু বৰদামালত অনুষ্ঠিত নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰি গুৱাহাটী লোকসভা সমষ্টিৰ বিজেপি প্ৰাৰ্থী বিজুলী কলিতা মেধিৰ সমৰ্থনত প্ৰচাৰ চলায়। আনহাতে গুৱাহাটী লোকসভা সমষ্টিৰ বিজেপি প্ৰাৰ্থী বিজুলী কলিতা মেধিয়ে পশ্চিম গুৱাহাটী সমষ্টিৰ ৫খন গাঁও পঞ্চায়ত ভিন্ন স্থানত নিৰ্বাচনী প্ৰচাৰ চলায়। ধাৰাপুৰ গাঁও পঞ্চায়তত অনুষ্ঠিত নিৰ্বাচনী সভাত অংশ লৈ তেওঁ অহা ৭ মে'ত হ'বলগীয়া তৃতীয় পৰ্যায়ৰ নিৰ্বাচনত সকলোকে ভোটদান কৰিবলৈ আহ্বান জনায়। ইয়াৰ পিছত তেওঁ গড়ল, মাজিৰগাঁও, কাহিকুচি আৰু আজাৰা গাঁও পঞ্চায়তৰ ভিন্ন স্থানত নিৰ্বাচনী প্ৰচাৰ

সভাত অংশ লয়। বিজেপি নেতা তথা মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই বৰপেটা লোকসভা সমষ্টিৰ এন ডি এৰ মনোনীত প্ৰাৰ্থী ফণীভূষণ চৌধুৰীৰ সমৰ্থনত বঙাইগাঁও জিলাৰ মাণিকপুৰত প্ৰচাৰ চলায়।

ইপিনে সাংসদ গৌৰৱ গগৈ বৰপেটা লোকসভা সমষ্টিৰ কংগ্ৰেছ দলৰ প্ৰাৰ্থী দ্বীপ বায়নৰ হৈ নলবাৰীত নিৰ্বাচনী প্ৰচাৰত অংশ লয়। নলবাৰীৰ বিলপাৰৰ পৰা বাইক ৰেলী কৰি সাংসদগৰাকীয়ে সমৰ্থক, দলীয় কৰ্মীৰ সৈতে প্ৰচাৰ চলায়।

এ আই ইউ ডি এফৰ ধুবুৰী সমষ্টিৰ প্ৰাৰ্থী বদৰুদ্দিন আজমলে আজি গোৱালপাৰাত নিৰ্বাচনী প্ৰচাৰ চলায়।

আনহাতে বি পি এফ দলে বাক্সা জিলাৰ মানাহ বিধানসভা সমষ্টিৰ বিভিন্ন স্থানত নিৰ্বাচনী প্ৰচাৰ চলোৱা পৰিলক্ষিত হয়। বি পি এফ প্ৰধান হাগ্ৰামা মহিলাৰীয়ে জিলাখনৰ শান্তিপুৰ বজাৰত লোকসভা সমষ্টিৰ দলীয় প্ৰাৰ্থী খাম্ফা বৰগয়াৰীৰ হৈ নিৰ্বাচনী প্ৰচাৰত অংশ লয়।

সৰ্বভাৰতীয় কংগ্ৰেছ দলৰ মহিলা কোষৰ সভানেত্ৰী অলকা লাম্বা আৰু প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাসহ দলটোৰ কেইবাগৰাকীও কংগ্ৰেছ নেতাই ধুবুৰী সমষ্টিৰ প্ৰাৰ্থী ৰকিবুল হুছেইনৰ হৈ কামৰূপ জিলাৰ নগৰবেৰাৰ সীমান্ত অঞ্চলত প্ৰচাৰ চলায়।

ইপিনে চি পি আই এমৰ জ্যেষ্ঠ নেতা তথা ত্ৰিপুৰাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী মাণিক সৰকাৰে বৰপেটা লোকসভা সমষ্টিৰ দলীয় প্ৰাৰ্থী মনোৰঞ্জন তালুকদাৰৰ সমৰ্থনত প্ৰচাৰ চলোৱাৰ উদ্দেশ্যেৰে বঙাইগাঁৱত উপস্থিত হৈছে। নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ পূৰ্বে এখন সংবাদমেলত অংশ লৈ তেওঁ কয় যে, কংগ্ৰেছৰ নিৰ্বাচনী ইস্তাহাৰত উল্লেখ থকা গণতন্ত্ৰ আৰু সংবিধান সুৰক্ষাৰ বিষয়টোত চিপিআইএম দলে আই এন ডি আই মিত্ৰজোঁটৰ সদস্য হিচাপে একমত হ'লেও অন্য বিষয়সমূহত দলটোৰ সৈতে মতবিৰোধ আছে।

বাক্সা জিলাৰ শালবাৰীত বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে মিত্ৰজোঁটৰ প্ৰাৰ্থী জয়ন্ত বসুমতাৰীৰ সমৰ্থনত নিৰ্বাচনী সভাত অংশ লয়।

ইপিনে বিজেপি যুৱ মঞ্চৰ উদ্যোগত বৰপেটা লোকসভা সমষ্টিৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী ফণীভূষণ চৌধুৰীৰ সমৰ্থনত বঙাইগাঁও চহৰৰ মাজেৰে বাইক ৰেলী উলিওৱা হয়। ৰাজ্যসভাৰ সাংসদ পবিত্ৰ মাৰ্ঘেৰিটাৰ লগতে অগপ দলৰ ভালেসংখ্যক কৰ্মীয়ে এই সমদলত অংশ লয়।

০০০০০

দেশৰ নিৰ্বাচন আয়োগে ভোটদাতাসকলক নিৰ্বাচনৰ পৰৱৰ্ত্তী সময়ৰ বাবে হিতাধিকাৰী-কেন্দ্ৰিক আঁচনিত পঞ্জীভুক্ত নকৰিবলৈ সকলো ৰাজনৈতিক দললৈ নিৰ্দেশ জাৰি কৰিছে। বিভিন্ন ৰাজনৈতিক দল আৰু প্ৰাৰ্থীয়ে তেওঁলোকৰ প্ৰস্তাৱিত হিতাধিকাৰী-কেন্দ্ৰিক আঁচনিত অন্তৰ্ভুক্তিৰ বাবে জৰীপ কৰাৰ চলেৰে ভোটদাতাসকলৰ পৰা বিভিন্ন তথ্য সংগ্ৰহ কৰাটো আয়োগৰ দৃষ্টিগোচৰ হোৱাৰ পৰিপ্ৰেক্ষিতত এই নিৰ্দেশ জাৰি কৰিছে। ১৯৫১ চনৰ জনপ্ৰতিনিধিত্ব আইনৰ ১২৩(১) ধাৰাৰ অধীনত এই কাৰ্যক উৎকোচ গ্ৰহণ আৰু দুৰ্নীতিৰ সমপৰ্যায়ৰ বুলি উল্লেখ কৰা হৈছে। ইয়াৰ পৰিপ্ৰেক্ষিতত নিৰ্বাচন আয়োগে ৰাজনৈতিক দলসমূহক এনে কাৰ্যত জড়িত নহবলৈ নিৰ্দেশযোগে সকিয়াই দিছে।

০০০০০

ৰাজ্যখনত তৃতীয় পৰ্যায়ত অহা ৭ মে'ত হ'বলগীয়া নিৰ্বাচনৰ বাবে ভোটগ্ৰহণ হবলগীয়া সমষ্টিকেইটাৰ অন্তৰ্গত জিলাসমূহৰ প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনসমূহে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিছে। বিভিন্ন জিলাত ভোটদাতাৰ সজাগতাৰ বাবে কাৰ্যসূচী গ্ৰহণ কৰাৰ লগতে ফ্লাইং স্কোৱাদ আৰু নিৰীক্ষণকাৰী দলসমূহে নিৰ্বাচনী

আচৰণ বিধি উলংঘাৰ ঘটনা ধৰা পেলোৱাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰি আহিছে। নিৰ্বাচন হ্বলগীয়া ৪ টা সমষ্টি গুৱাহাটী, বৰপেটা, কোকৰাঝাৰ আৰু ধুবুৰীৰ অন্তৰ্গত অঞ্চলসমূহত নিৰ্বাচন বিভাগ আৰু জিলা প্ৰশাসনৰ উদ্যোগত যুৱ ভোটদাতাসকলক ভোটদানৰ বাবে আগ্ৰহী কৰি তুলিবলৈ বিভিন্ন কাৰ্যসূচী লোৱা হৈছে। ইপিনে, নিৰ্বাচন সুকলমে পৰিচালনাৰ বাবে ভোটগ্ৰহণ হ'বলগীয়া কেন্দ্ৰসমূহত নিৰ্বাচনী আয়োগৰ নিৰ্দেশনামৰ্মে সুৰক্ষা ব্যৱস্থাকে ধৰি প্ৰয়োজনীয় সকলো ব্যৱস্থা কৰিবলৈ জিলা নিৰ্বাচন বিভাগসমূহে নিশ্চিত কৰিছে।

ধুবুৰী সমষ্টিৰ অন্তৰ্গত দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ সদৰ হাটশিঙিমাৰীত স্থাপন কৰা বিশেষ ভোটগ্ৰহণ কেন্দ্ৰত নিৰ্বাচনী দায়িত্বত নিয়োজিত প্ৰিজাইডিং আৰু পোলিং বিষয়াসকলৰ ডাকবেলটযোগে ভোটগ্ৰহণ কৰা হৈছে। যোৱা ২৭ এপ্ৰিলৰ পৰা হাটশিঙিমাৰী মহাবিদ্যালয়ত স্থাপন কৰা ভোটগ্ৰহণ কেন্দ্ৰত এই বিষয়াসকলে ভোটৰ অধিকাৰ সাব্যস্ত কৰিছে। ইয়াৰ পূৰ্বে মহাবিদ্যালয়খনৰ আন এটা বিশেষ ভোটগ্ৰহণ কেন্দ্ৰত আৰক্ষী, বেটেলিয়ন আৰু গৃহৰক্ষী বাহিনীৰ জোৱানসকলে গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰে। কাইলৈ সাংবাদিকসকলে ডাকবেলটযোগে ভোটদান কৰিব। উল্লেখযোগ্য যে হাটশিঙিমাৰী জিলা প্ৰশাসনৰ উদ্যোগত ধুবুৰী সমষ্টিৰ বাবে ৩৪৭টা ভোটগ্ৰহণ কেন্দ্ৰত তৃতীয় পৰ্যায়ৰ বাবে ডেৰ শতাধিক প্ৰিজাইডিং আৰু পোলিং বিষয়া নিয়োগ কৰা হ'ব। তেওঁলোকক ইতিমধ্যে তিনিটা পৰ্যায়ত প্ৰশিক্ষণ দিয়া হৈছে। ইপিনে, তৃতীয় পৰ্যায়ত ভোটগ্ৰহণ হ'বলগীয়া জিলাসমূহত ৭ মে'ত বেতনসহ ছুটিৰ দিন ঘোষণা কৰা হৈছে। এই অনুসৰি সেই দিনটোত চৰকাৰী-বেচৰকাৰী প্ৰতিষ্ঠান, শিক্ষানুষ্ঠান, উদ্যোগ প্ৰতিষ্ঠান, বেংক আদিৰ কৰ্মচাৰীসকলে বেতনসহ ছুটি লাভ কৰিব। তদুপৰি, নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত অহা ৫ মে'ৰ বিয়লি পাঁচ বজাৰ পৰা ৭ মে'ৰ বিয়লি পাঁচ বজালৈ সুৰা নিষিদ্ধ ঘোষণা কৰা হৈছে। বঙাইগাঁও জিলাৰ আয়ুক্তই এই  ঘোষণা কৰি এই সময়ছোৱাত জিলাখনৰ সকলো ধৰণৰ সুৰাৰ পণ্যাগাৰ, বিপণী আদি বন্ধ ৰখাৰ লগতে বিক্ৰী নিষিদ্ধ কৰা হৈছে। এই আদেশ উলংঘা কৰা লোকৰ বিৰুদ্ধে বিহিত ব্যৱস্থা লোৱা হ'ব।

আনহাতে, নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত বিভিন্ন জিলাত ভোটদাতাৰ সজাগতা কাৰ্যসূচী অব্যাহত আছে। কটন বিশ্ববিদ্যালয়ৰ গণ সংযোগ সাংবাদিকতা আৰু মিডিয়া ষ্টাডিজ বিভাগে আজি ছুডমাৰ্শ্বন হলত  মুকাভিনয়ৰ জৰিয়তে **পাৱাৰ টু ভোট** শীৰ্ষক এটি ভোটৰ সজাগতা অনুষ্ঠানৰ আয়োজন কৰে। বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য্য অধ্যাপক ৰমেশ চন্দ্ৰ ডেকাই এই অভিযান মুকলি কৰি ছাত্ৰসমাজক ভোটদানৰ বাবে আহ্বান জনায়। সজাগতা অভিযানত মুকাভিনয়ৰ জৰিয়তে ভোটদানৰ গুৰুত্ব, স্বচ্ছ আৰু নিকা নিৰ্বাচনৰ ক্ষেত্ৰত প্ৰভাৱ পেলাব পৰা ভাবুকিসমূহ প্ৰতিফলিত কৰা হয়। অনুষ্ঠানৰ শেষত উপস্থিত থকা সকলোৰে নিৰ্বাচনত ভোটদান কৰাৰ শপতগ্ৰহণ কৰে।

বাক্সা জিলা প্ৰশাসনে আজি জিলাখনত ভোটদাতাসকলৰ মাজত সজাগতা বৃদ্ধিৰ বাবে বাটৰ নাট পৰিবেশন কৰে। জিলাখনৰ অঞ্চলি চ'কত আজি স্বচ্ছ ভাৰত অভিযান গ্ৰামীণৰ বাক্সা জিলাৰ উদ্যোগত আৰু স্থানীয় আত্মসহায়ক গোটৰ সহযোগত বাটৰ নাটখন পৰিবেশন কৰা হয়। এই নাটখনৰ জৰিয়তে ভোটদাতাসকলক প্ৰতিটো ভোটৰ গুৰুত্ব সম্পৰ্কে অৱগত কৰাৰ উপৰি কোনো প্ৰলোভনৰ বশৱৰ্ত্তী নোহোৱাকৈ গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰাৰ আহ্বান জনোৱা হয়।

লোকসভা নিৰ্বাচনত অধিক সংখ্যক ভোটদাতাৰ অংশগ্ৰহণ নিশ্চিত কৰাৰ বাবে কামৰূপ নিৰ্বাচনী জিলাৰ উদ্যোগত হাজোৰ বামুন্দি মহাবিদ্যালয়ত পদ্ধতিগত ভোটাৰ শিক্ষা আৰু নিৰ্বাচনী অংশগ্ৰহণ অৰ্থাৎ ছুইট কোষৰ উদ্যোগত সজাগতা কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ইয়াৰ অংশ হিচাপে চিত্ৰশিল্পী ৰবীন ব'ৰে বালিত অংকন কৰা চিত্ৰৰ এটা সজাগতামূলক ভিডিঅ' মুকলি কৰা হয়। জিলাখনৰ উন্নয়ন আয়ুক্ত সুশান্ত কুমাৰ দত্তই

সকলোকে ৭ মে'ৰ দিনা ভোটদান কৰিবলৈ আহ্বান জনায়। তদুপৰি নতুন ভোটদাতাসকলক ভোটদান প্ৰক্ৰিয়াৰ সৈতে পৰিচিত কৰোৱাবলৈ প্ৰস্তুত কৰা বেলট ইউনিটৰ থ্ৰী-ডি প্ৰতিৰূপ ব্যৱহাৰ কৰি ভোটদানৰ অভিজ্ঞতা অনুভৱ কৰাৰ সুযোগ দিয়া হয়।

০০০০০

গুৱাহাটী বতৰ বিজ্ঞান কেন্দ্ৰৰ নিৰ্দেশনামৰ্মে ডিমা হাচাও জিলা প্ৰশাসনে প্ৰতিকুল বতৰৰ প্ৰতি লক্ষ্য ৰাখি সতৰ্কতামূলক নিৰ্দেশনা জাৰি কৰিছে। নিৰ্দেশনা অনুসৰি জিলাখনৰ সকলো শিক্ষানুষ্ঠান আজিৰ পৰা পৰহিলৈ বন্ধ থাকিব। আনহাতে প্ৰশাসনে জিলাখনৰ লোকসকলক পৰাপক্ষত ঘৰৰ পৰা বাহিৰলৈ নাযাবলৈ আহ্বান জনাইছে। উল্লেখযোগ্য যে বিগত কেইবাদিন ধৰি পাহাৰীয়া জিলাখনত বৰষুণ অব্যাহত আছে। ধাৰাসাৰ বৰষুণৰ বাবে জিলাখনত স্বাভাবিক জন জীৱন ব্যাহত হৈছে। গুৱাহাটী বতৰ বিজ্ঞান কেন্দ্ৰয়েও ধুমুহা, ব্ৰজপাত আৰু বৰষুণৰ সতৰ্কতা জাৰি কৰিছে। জিলাখনত অভাৱনীয় পৰিস্থিতিৰ সন্মুখীন হ'লে তাৎক্ষণিকভাৱে জিলা দুৰ্যোগ প্ৰশমন বিভাগক জনাবলৈ আহ্বান জনোৱা হৈছে। ইয়াৰ বাবে প্ৰশাসনে হেল্পলাইন নম্বৰো মুকলি কৰিছে। বৰষুণৰ বাবে হোৱা ভূমিস্খলনৰ ফলত জিলাখনত ৰে'ল চলাচল ব্যাহত হৈ পৰিছে। আনহাতে লামডিং সংমণ্ডলৰ জাতিংগা লামপুৰ আৰু হাৰাং হাজাও ৰে'লপথৰ মেৰামতিৰ বাবে কেইবাখনো ৰে'ল বাতিল কৰাৰ লগতে ৪খন ৰে'লৰ চলাচল আংশিকভাৱে বন্ধ কৰা হৈছে।

০০০০০

মানস ৰাষ্ট্ৰীয় উদ্যানৰ সমীপৰ বাক্সা জিলাৰ নাৰায়ণগুৰিৰ বেঁকী নৈত কালি গা ধুবলৈ গৈ তিনিজন যুৱকৰ সলিল সমাধি ঘটে। আমাৰ সংবাদদাতাই জনোৱা মতে বৰপেটা ৰোডৰ পৰা কালি সন্ধিয়া বেঁকী নৈত গা ধুবলৈ যোৱা দীপ সাহা, ৰাজ সাহা আৰু অভিজিৎ কৰ্মকাৰ নামৰ যুৱক তিনিজন কালি নৈৰ বুকুত সন্ধানহীন হৈ পৰে। আৰক্ষী আৰু এছ্-ডি-আৰ-এফে কালি মাজনিশালৈ যুৱক তিনিজনৰ উদ্ধাৰ অভিযান চলায় যদিও আজি পুৱাৰ ভাগতহে মৃতদেহ তিনিটা উদ্ধাৰ কৰা হয়।

০০০০০

২০২৫ বৰ্ষৰ পদ্ম সন্মানৰ বাবে অনলাইনযোগে মনোনয়ন আৰু পৰামৰ্শ আগবঢ়োৱাৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। পদ্ম সন্মানৰ বাবে নাম মনোনয়ন কৰাৰ অন্তিম দিন অহা ১৫ ছেপ্তেম্বৰ ধাৰ্য্য কৰা হৈছে। ৰাষ্ট্ৰীয় পুৰস্কাৰ প'ৰ্টেল awards.gov.in যোগে পদ্ম সন্মানৰ বাবে মনোনয়ন আৰু পৰামৰ্শ আগবঢ়াব পৰা যাব।

দেশৰ সৰ্বোচ্চ অসামৰিক সন্মান পদ্ম বঁটাসমূহ পদ্ম বিভূষণ, পদ্ম ভূষণ আৰু পদ্মশ্ৰী এই তিনিটা শিতানত প্ৰদান কৰা হয়। কলা, সমাজসেৱা, বিজ্ঞান আৰু অভিযান্ত্ৰিক, বাণিজ্য আৰু উদ্যোগ, ঔষধ, সাহিত্য আৰু শিক্ষা, ক্ৰীড়া আৰু অসামৰিক সেৱা আদি বিভিন্ন শিতানত পদ্ম বঁটাসমূহ প্ৰদান কৰা হয়। প্ৰতি বছৰে গণতন্ত্ৰ দিৱসৰ দিনা এই বঁটাসমূহ ঘোষণা কৰা হয়।

০০০০০

কেন্দ্ৰীয় চৰকাৰে ইয়াৰ কৰ্মচাৰীসকলৰ শিক্ষা আৰু ছাত্ৰাবাস ভাট্টা বৃদ্ধি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। যোৱা জানুৱাৰীত মৰগীয়া বানচ ৫০ শতাংশ স্পৰ্শ কৰাৰ পাছত এই সিদ্ধান্ত লোৱা হৈছে। কৰ্মচাৰী, ৰাজহুৱা ওজৰ-আপত্তি নিষ্পত্তি আৰু প্ৰশিক্ষণ মন্ত্ৰালয়ে ২০১৮ চনৰ নিৰ্দেশনা অনুযায়ী এই সিদ্ধান্ত লৈছে। ২০১৮ চনৰ নিৰ্দেশনা অনুসৰি মৰগীয়া বানচ ৫০ শতাংশ বৃদ্ধি পালে ভাট্টা আৰু ৰাজ সাহায্য ২৫ শতাংশ বৃদ্ধি পায়। মন্ত্ৰালয়ে গ্ৰহণ কৰা সিদ্ধান্ত অনুযায়ী শিক্ষা ভাট্টা প্ৰতি মাহে দুহেজাৰ ৮১২ টকা আৰু ছাত্ৰাবাস ৰাজ সাহায্য

প্ৰতি মাহে ৮ হাজাৰ ৪৩৭ টকা ধাৰ্য্য কৰা হৈছে। দিব্যাংগ শিশুৰ বাবে শিক্ষা ভাট্টাৰ ধনৰাশি ৫ হাজাৰ ৬২৫ টকা হ'ব।

০০০০০

অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদে উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষত নামভৰ্তিৰ ক্ষেত্ৰত কেতবোৰ সালসলনি ঘটাইছে। শিক্ষা সংসদৰ সচিবে জাৰি কৰা নতুন নিৰ্দেশনা অনুসৰি ছাত্ৰ-ছাত্ৰীয়ে প্ৰথম বৰ্ষত নামভৰ্তিৰ বাবে অহা ১৫ মে' পৰ্যন্ত অনলাইন আবেদন দাখিল কৰিব পাৰিব। সংশ্লিষ্ট শিক্ষানুষ্ঠানৰ দ্বাৰা ১৬ৰ পৰা ১৮ মে'ৰ ভিতৰত বাছনি তালিকা আৰু অপেক্ষাৰত ছাত্ৰ-ছাত্ৰীৰ তালিকা প্ৰকাশ কৰা হ'ব। আনহাতে, ২০ মে'ৰ পুৱা ৯ বজাত প্ৰভিজনেল বাছনি তালিকা আৰু অপেক্ষাৰত তালিকা প্ৰকাশ কৰা হ'ব। ২০ৰ পৰা ২৬ মে'ৰ ভিতৰত ছাত্ৰ-ছাত্ৰীসকলে নামভৰ্তি কৰিব লাগিব। আনহাতে ২৭ৰ পৰা ৩০ মে'ৰ ভিতৰত শিক্ষানুষ্ঠানসমূহৰ দ্বাৰা দৰ্পন পোৰ্টেলত নামভৰ্তি নিশ্চিত কৰিব লাগিব বুলি নিৰ্দেশনাটোত কোৱা হৈছে।

০০০০০

ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধিকৰণ আৰু অসম ৰাজ্যিক আইন সেৱা প্ৰাধিকৰণৰ নিৰ্দেশনাৰ ভিত্তিত লখিমপুৰত জিলা আইন সেৱা প্ৰাধিকৰণৰ উদ্যোগত অহা ১১ মে'ত ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত হ'ব। জিলাখনৰ ন্যায়িক আদালত আৰু ঢকুৱাখনা মহকুমা ন্যায়িক আদালতৰ চৌহদত এই লোক আদালত অনুষ্ঠিত হ'ব। এই লোক আদালতত ভূমি অধিগ্ৰহণ গোচৰ, ৰাজহ সংক্ৰান্তিয় গোচৰ, বিদ্যুৎ, পানীৰ মাছুল সংক্ৰান্তিয় গোচৰ, দুৰ্ঘটনা, গ্ৰাহক পৰিক্ৰমা গোচৰকে ধৰি বিভিন্ন গোচৰৰ নিষ্পত্তিৰ ব্যৱস্থা কৰা হৈছে। জনসাধাৰণক এই লোক আদালতৰ জৰিয়তে গোচৰ নিষ্পত্তি কৰিবলৈ জিলা আইন সেৱা প্ৰাধিকাৰীৰ সৈতে যোগাযোগ কৰি আহ্বান জনাইছে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজি হায়দৰাবাদত হ'বলগীয়া এখন খেলত ৰাজস্থান ৰয়েলছ ছানৰাইজাৰ্ছ হায়দৰাবাদৰ সন্মুখীন হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। ৰাজস্থান ৰয়েলছ বৰ্তমানলৈকে খেলা ৯খন খেলৰ ভিতৰত ৮ খনত জয়লাভ কৰি প্ৰতিযোগিতাৰ পইণ্ট তালিকাৰ শীৰ্ষত আছে। আনহাতে, হায়দৰাবাদে ৯খন খেলৰ ভিতৰত পাঁচখনত জয়লাভ কৰি পঞ্চম স্থানত আছে।

০০০০০

সমাপ্ত